# অসম প্ৰদেশ কংগ্ৰেছ কমিটী
## বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা
**তাৰিখঃ ৪ ছেপ্টেম্বৰ, ২০১৬**
**স্থানঃ মানবেন্দ্ৰ শৰ্মা চৌহদ, গুৱাহাটী**

### ৰাজনৈতিক প্ৰস্তাৱ

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ৪ ছেপ্টেম্বৰ, ২০১৬ তাৰিখে দলৰ গুৱাহাটাস্থিত মানবেন্দ্ৰ শৰ্মা চৌহদত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি শ্ৰীৰিপুন বৰাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক কমিটীয়ে ২০১৬ চনৰ অসম বিধানসভা নিৰ্বাচন আৰু পৰৱৰ্তী সময়ৰ ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত গভীৰভাৱে পৰ্যালোচনা কৰি নিম্ন লিখিত খচৰা ৰাজনৈতিক প্ৰস্তাৱটো সৰ্বসন্মতভাৱে গ্ৰহণ কৰা হ'ল।

২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ পিছত ২০১৬ চনৰ অসম বিধানসভা নিৰ্বাচন কংগ্ৰেছ দলৰ কাৰণে আছিল এক ডাঙৰ প্ৰত্যাহ্বান। কিয়নো, একেৰাহে তিনিটা কাৰ্যকালৰ বাবে ক্ষমতাত থকাৰ পিছত জনসাধাৰণৰ মাজত দেখা দিয়া স্বাভাৱিক স্থিতাৱস্থা বিৰোধী মানসিকতাক নেওচি ৰাইজৰ আস্থা আদায় কৰিব পৰাটো নিসন্দেহে আমাৰ দলৰ সন্মুখত এক ডাঙৰ প্ৰত্যাহ্বান আছিল। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ পিছত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশৰ নাগৰিকক দিয়া প্ৰতিশ্ৰিতি সমূহৰ ক্ষেত্ৰত বিশেষকৈ অসমৰ ক্ষেত্ৰত বিদেশী সমস্যা, বান আৰু গৰাখহনীয়াৰ সমস্যা, মূল্যবৃদ্ধিৰোধ কৰা, নামনি সোৱণসিৰি জলবিদ্যুৎ প্ৰকল্প আৰু বৃহৎ নদীবান্ধৰ ভুৱা বিৰোধিতা, নিৱনুৱা সমস্যা সমাধান আদি বিভিন্ন বিষয়ত চৰকাৰখনে ওলোটা খৰ মৰা কথাটোৱে জনসাধাৰণক বিতুষ্ট কৰিলেও বিৰোধীৰ ভোট বিভাজন ৰোধ কৰিব নোৱাৰা, বিজেপিৰ দ্বাৰা ভোটাৰ ৰাইজক ধৰ্মীয় মেৰুকৰণ, ৰাজ্যৰ কে'বাটাও প্ৰধান বিৰোধী ৰাজনৈতিক দলে সন্মিলিতভাৱে নিৰ্বাচনত অৱতীৰ্ণ হোৱা, বিগত কাৰ্যকালত কংগ্ৰেছৰ মন্ত্ৰী-বিধায়ক আৰু দলৰ সাধাৰণ কৰ্মীৰ মাজত দূৰত্ব বৃদ্ধি, পঞ্চায়ত সমূহত সংঘটিত ব্যাপক খেলিমেলি, দলীয় প্ৰাৰ্থীত্ব ঘোষণাত কৰা অহেতুক বিলম্ব, সুপৰিকল্পিত প্ৰচাৰৰ অভাৱ, নিৰ্বাচনৰ প্ৰাক্ মূহুৰ্তত আমাৰ চৰকাৰে গ্ৰহণ কৰা হিতাধিকাৰী আঁচনিৰ ক্ষেত্ৰত হোৱা ব্যাপক খেলিমেলি, দলৰ একাংশ নেতা আৰু কৰ্মীৰ নিষ্ক্ৰিয়তা আৰু একাংশৰ অতিমাত্ৰা আত্মবিশ্বাস আদিকেই দলৰ পৰাজয়ৰ কাৰণ হিচাপে চিহ্নিত কৰিব পাৰি। অৱশ্যে, আসনৰ সংখ্যাৰ পিনৰ পৰা দলৰ স্থিতি মজবুত নহ'লেও শতাংশ হিচাপত ভোটাৰৰ আমাৰ দলৰ প্ৰতি সমৰ্থন বেছ আশাব্যঞ্জক।

এক প্ৰতিকূল পৰিবেশৰ মাজতো দলৰ যিসকল নিষ্ঠাবান নেতা আৰু কৰ্মীয়ে নিৰ্বাচনত কঠোৰ পৰিশ্ৰম কৰিলে সেই সকলোৱেই ধন্যবাদ আৰু কৃতজ্ঞতাৰ পাত্ৰ। ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী শ্ৰীমতী ছোনিয়া গান্ধী, উপ-সভাপতি শ্ৰীযুত ৰাহুল গান্ধী, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক, অসমৰ তত্বাৱধায়ক ড° চিপি যোশী, সম্পাদক শ্ৰীঅবিনাশ পাণ্ডে, ২০১৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনৰ প্ৰাক্ মূহুৰ্তত আৰু নিৰ্বাচনী প্ৰচাৰৰ সময়ত অসমলৈ আহি বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে আমাক যিধৰণে দিহা-পৰামৰ্শ দি সহায় কৰিলে আজিৰ সভাই সেইসকলৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই নিৰ্বাচনত সমুখৰ পৰা নেতৃত্ব দিয়া বাবে দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰয়াত সভাপতি অঞ্জন দত্তকো প্ৰদেশ কংগ্ৰেছৰ আজিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

ক্ৰমশ......

গণতান্ত্রিক দেশ এখনত নির্বাচনত হৰা-জিকাতো এক স্বাভাৱিক প্ৰক্ৰিয়া। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ১৯৭৭, ১৯৮৯ আৰু ১৯৯৯ চনত অনুষ্ঠিত হোৱা লোকসভা আৰু অসমত ১৯৭৮, ১৯৮৫ আৰু ১৯৯৬ চনত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ শোচনীয় পৰাজয়ৰ পিছতো কংগ্ৰেছ দলে পৰৱৰ্তী কালত আকৌ ৰাইজৰ বিপুল সমৰ্থন লাভ কৰি দীৰ্ঘ কালৰ বাবে চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। সেয়েহে কংগ্ৰেছ কৰ্মীৰ দৃঢ় মনোবল আৰু কংগ্ৰেছৰ মহান আদৰ্শ কোনেও নিঃশেষ কৰিব নোৱাৰে। বিগত দিনৰ ইতিহাসত কংগ্ৰেছ দলে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত একাধিকবাৰ বিভিন্ন ৰাজনৈতিক বিপৰ্যয়ৰ সৈতে মোকাবিলা কৰি শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰি আহিছে। দেশৰ আটাইতকৈ পুৰণি গণতান্ত্ৰিক ৰাজনৈতিক দল হিচাপে আমি জনসাধাৰণৰ ৰায় নতশিৰে মানি লৈছো আৰু অহা পাঁচ বছৰত আমাৰ দলৰ নিৰ্বাচিত প্ৰতিনিধিসকলে বিধানসভাৰ মজিয়াত গঠনমূলক আৰু ইতিবাচক চিন্তাৰে জনসাধাৰণৰ স্বাৰ্থত বিৰোধী দলৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰি যাব।

কংগ্ৰেছ দলে এই কথা গভীৰ উদ্বিগ্নতাৰে প্ৰত্যক্ষ কৰিছে যে, বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে তেওঁলোকৰ কাৰ্যকালৰ তিনিমাহতে জনসাধাৰণে তেওঁলোকৰ ওপৰত পোষণ কৰা আস্থা আৰু বিশ্বাসক কুঠাৰাঘাট কৰি কেতবোৰ জনবিৰোধী সিদ্ধান্ত গ্ৰহণ কৰিছে। জাতি-মাটি-ভেটিৰ স্বাৰ্থ সুৰক্ষাৰ শ্লʼগানেৰে অসমৰ মানুহৰ আবেগক উদ্বেলিত কৰি শাসনৰ গাদীত বহা চৰকাৰখনে ক্ষমতালৈ অহাৰ পিছত ৰাজ্যখনৰ আৰু ইয়াত বসবাস কৰা দুখীয়া জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী কামহে কৰিবলৈ আৰম্ভ কৰিছে। সাধাৰণ জনতাৰ বাবে আটাইতকৈ স্পৰ্শকাতৰ বিষয় আৰু মূলতঃ যিটো সমস্যাৰ তাৎক্ষণিক সমাধানৰ আশাৰে ৰাইজে বিজেপিৰ তথাকথিত “পৰিবৰ্তন”ৰ প্ৰতিশ্ৰুতিত আস্থা স্থাপন কৰি ব্যাপক হাৰত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ সপক্ষে ভোটদান কৰিলে, সেই মূল্যবৃদ্ধিৰ নিয়ন্ত্ৰণৰ বাবে বিগত তিনিটা মাহত চৰকাৰখনে কোনোধৰণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহʼল। এই সময়ছোৱাত সকলো বস্তুৰ দাম, বিশেষকৈ, অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে জনসাধাৰণক কোঙা কৰি পেলাইছে। মূল্যবৃদ্ধি ৰোধতো দূৰৈৰ কথা, ক্ষমতালৈ আহিয়েই ভূতৰ ওপৰত দানহৰ লেখিয়াকৈ চৰকাৰে পেট্ৰʼল-ডিজেলকে ধৰি ১২৭ বিধ সামগ্ৰীৰ ওপৰত ভেট বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। তদুপৰি, অসমৰ জনসাধাৰণৰ আবেগ-অনুভূতিক কোনোধৰণৰ গুৰুত্ব নিদি ১২ খনকৈ তৈলখাদ নিলামৰ সিদ্ধান্ত, ৰহাত এইমছ্ স্থাপনৰ দাবীত কৰা গণতান্ত্ৰিক আন্দোলনৰ সময়ছোৱাত প্ৰতিবাদকাৰীক গুলিয়াই নিহত কৰাৰ উপৰিও প্ৰতিটো গুৰুত্বপূৰ্ণ বিষয়ত চৰকাৰখনে প্ৰদৰ্শন কৰা উদাসিনতাই স্বাভাৱিকতে ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ লগতে ৰাইজৰ প্ৰতি দায়বদ্ধ দল হিচাপে কংগ্ৰেছকো যথেষ্ট উদ্বিগ্ন কৰিছে।

অসমৰ বিজেপি চৰকাৰৰ তিনিমহীয়া কাৰ্যকালতে মায়ঙকে ধৰি কেʼবাখনো ঠাইত যুগ যুগৰ পৰা বসবাস কৰি থকা বহু বানাক্ৰান্ত ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু ৰাইজক তথাকথিত সন্দেহজনক বিদেশী সজাই উচ্ছেদৰ ভাবুকীৰে এক অশান্তময় পৰিবেশ সৃষ্টি কৰিবলৈ অপচেষ্টা চলাই থকা পৰিলক্ষিত হৈছে। এনে ঘটনাৰাজিত প্ৰদেশ কংগ্ৰেছে উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে চৰকাৰক সকলো শ্ৰেণীৰ নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ সাংবিধানিক দায়িত্ব পালন কৰিবলৈ দাবী জনাইছে।

ক্ৰমশ......

চৰকাৰ গঠনৰ পিছত বিজেপি নেতৃত্বাধীন চৰকাৰখনে প্ৰলোভন, ভীতি প্ৰদৰ্শন আদিৰে নিৰ্বাচিত নিগম-নিকায় আৰু পঞ্চায়ত প্ৰতিনিধিসকলক নিজৰ ফলীয়া কৰি স্বায়ত্ব শাসিত পৰিষদ, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাওঁ পঞ্চায়তত দল ত্যাগেৰে বিজেপি দললৈ নিয়া কু-প্ৰচেষ্টা আদি অগণতান্ত্ৰিক কাৰ্যকলাপতো আমি উদ্বিগ্নতা প্ৰকাশ কৰিছো।

দেশৰ জনসাধাৰণৰ ধৰ্মীয় আবেগক শোষণ কৰি ৰাজনীতি কৰা দল বিজেপিয়ে কেন্দ্ৰত শাসনভাৰ লোৱাৰ সময়ৰ পৰা সমগ্ৰ দেশত ধৰ্মীয় অসহনশীলতাই গা কৰি উঠিছে, যিটো, ভাৰতীয় সংবিধানৰ মৌলিক চৰিত্ৰ আৰু ভাৰতীয় সংস্কৃতিৰ মেৰুদণ্ডত এক মোক্ষম আঘাত হিচাপে বিবেচিত হৈছে। এফালে মিছা প্ৰচাৰৰ চমক আৰু আনফালে ধৰ্মীয় আবেগেৰে জনসাধাৰণক বিভ্ৰান্ত কৰি বিজেপি দলে ভাৰতবৰ্ষৰ সভ্যতা আৰু সংস্কৃতিৰ বৰঘৰ থান-বান কৰিবলৈ উঠি পৰি লাগিছে যাক আনে নকৰিলেও কংগ্ৰেছে প্ৰতিহত কৰাৰ বাবে বদ্ধ পৰিকৰ হ'ব লাগিব।

নিৰ্বাচনী পৰাজয়ক এক সাময়িক বিপৰ্যয় হিচাপে গণ্য কৰি কংগ্ৰেছ দলে পূৰ্বৰ বিপৰ্যয়ৰ ইতিহাসৰ পৰা শিক্ষা লৈ আগন্তুক সময়ছোৱাত দলৰ সকলো স্তৰৰ নেতা-কৰ্মীয়ে সন্মিলিতভাৱে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ স্বাৰ্থত আৰু দেশৰ লগতে আমাৰ ৰাজ্যৰ সভ্যতা, সংস্কৃতি আৰু প্ৰগতিৰ প্ৰধান প্ৰতিবন্ধক মৌলবাদী আৰু সাম্প্ৰদায়িক শক্তিক প্ৰতিহত কৰি এক প্ৰগতিশীল, সুস্থ, গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ সমাজ গঠনৰ সংকল্পৰে কাম কৰাৰ বাবে আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক।